**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-05-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**:::::::::::::::::::::::::::::::::::::::::**

**Headlines**

১। লোকসভা নিৰ্বাচনৰ বাকী চাৰিটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান তীব্ৰ। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি পশ্চিমবংগত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ।

২। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশত জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত কাইলৈ ৰাজ্যজুৰি ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন।

৩। আছাম ছিনিয়ৰ বেডমিণ্টন ক্লাবৰ উদ্যোগত আজিৰে পৰা তিনি-দিনীয়াকৈ অষ্টম নৰ্থ-ইষ্ট ছিনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি এখন খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটানছৰ মুখামুখি।

০০০০০০০

চতুৰ্থ পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ সামৰণিলৈ মাজত এটা দিন বাকী থকা অৱস্থাত লোকসভা নিৰ্বাচনৰ বাকী চাৰিটা পৰ্যায়ৰ বাবে প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। প্ৰধান ৰাজনৈতিক দলসমূহৰ আগশাৰীৰ নেতাসকলে নিজ নিজ দলৰ প্ৰাৰ্থীৰ বাবে জনসাধাৰণৰ পৰা সমৰ্থন বিচাৰি প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰিছে। বিভিন্ন ৰাজনৈতিক দলৰ নেতৃবৰ্গই ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে দেশৰ ভিন ভিন প্ৰান্তত নিৰ্বাচনী সভা আৰু ৰোড শ্ব'ত অংশ লোৱা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নাৰায়ণপেট আৰু হায়দৰাবাদত আয়োজিত দুখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। হায়দৰাবাদৰ এল বি ষ্টেডিয়ামত আজি সন্ধিয়া হ'বলগীয়া নিৰ্বাচনী সভাখন শ্ৰী মোদীৰ তেলেংগানাত অন্তিমখন নিৰ্বাচনী সভা হ'ব।

মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ড° হিমন্ত বিশ্ব শৰ্মাই আজি পশ্চিমবংগত নিৰ্বাচনী সভাত ভাগ লৈ কৃষ্ণনগৰ লোকসভা সমষ্টিৰ ভীমপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ভীমপুৰ বজাৰলৈ এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব। তেওঁ লগতে ব্যাৰাকপুৰ লোকসভাৰ অন্নপূৰ্ণা আৰু হুগলী লোকসভাৰ কামাৰপাৰাত আয়োজিত নিৰ্বাচনী সমাৰেশত অংশগ্ৰহণ কৰিব। ইফালে, মুখ্যমন্ত্ৰী ড° শৰ্মাই কালি ওড়িশাত বিজেপিৰ হকে প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰে। প্ৰচাৰ অভিযানত তেওঁ নৱৰংগপুৰ লোকসভা সমষ্টিৰ মলকানগিৰিৰ লগতে চিত্ৰাকোন্দা আৰু খল্লিকোটত দলীয় প্ৰাৰ্থীৰ হকে নিৰ্বাচনী জনসভাত ভাষণ দি ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনায়কৰ জনবিৰোধী কাম-কাজৰ তীব্ৰ সমালোচনা কৰে। নিৰ্বাচনী প্ৰচাৰ সভাত তেওঁ ওড়িশাত এইবাৰ বিজেপিৰ চৰকাৰ হ'বই বুলি উল্লেখ কৰি কয় যে এইবাৰ ৰাজ্যখনত বিজেপিৰ চৰকাৰ গঠন হ'লেই ৩ লাখ

৫০ হাজাৰ নিবনুৱাক চৰকাৰী চাকৰিত নিযুক্তি দিয়া হ'ব। বিজেপিৰ চৰকাৰ শাসনলৈ আহিলেই ৰাজ্যখনৰ মহিলাসকলৰ সৱলীকৰণৰ বাবে ৫০ হাজাৰ টকাকৈ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। অসম চৰকাৰে চৰকাৰী খৰচত ১ লাখ লোকক ৰাম মন্দিৰলৈ নিয়াৰ সিদ্ধান্ত লোৱাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ওড়িশাত বিজেপিৰ চৰকাৰ ক্ষমতালৈ আহিলে ৰাজ্যখনৰ ৫ লাখ লোকক চৰকাৰী খৰচত ৰাম মন্দিৰলৈ নিব। তদুপৰি কাশী, বিশ্বনাথৰ দৰে জগন্নাথ মন্দিৰৰো সু-ব্যৱস্থাপনা কৰা হ'ব বুলি তেওঁ কয়।

বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি তেলেংগানাৰ ভোনগিৰ সংসদীয় সমষ্টিত প্ৰচাৰ চলায়। আনহাতে, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়ে কালি অন্ধ্ৰপ্ৰদেশৰ নৰ্সাপুৰ আৰু তেলেংগানাৰ ছৰুৰনগৰত নিৰ্বাচনী সভাক সম্বোধন কৰে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা দলৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কালি প্ৰচাৰ অভিযানত ভাগ লয়। নেতাগৰাকীয়ে উত্তৰ প্ৰদেশৰ ফটেহপুৰত এটা সমাৰেশক সম্বোধন কৰি কয় যে, এন ডি এ চৰকাৰে বিগত ১০ বছৰত উন্নয়নৰ হকে কাম কৰিছে। শ্ৰীনাড্ডাই কালি চিত্ৰকূটত এটা ৰাজনৈতিক সমাৰেশতো অংশ লয়।

আনহাতে সমাজবাদী পাৰ্টিৰ মুৰব্বী অখিলেখ যাদৱে কালি বাহৰেইচত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰীযাদৱে কয় যে, বিজেপিয়ে খেতিয়ক আৰু যুৱ প্ৰজন্মৰ বিৰুদ্ধে কাম কৰি আছে। নেতাগৰাকীয়ে ধৌৰহাৰা আৰু লখিমপুৰ খেৰি সমষ্টিতো প্ৰচাৰ চলায়।

কংগ্ৰেছৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই কালি উত্তৰ প্ৰদেশৰ ৰায়বেৰেলীত প্ৰচাৰ চলাই কয় যে, তেওঁৰ দল ক্ষমতালৈ আহিলে নিৰ্বাচনী ইস্তাহাৰত কৰা প্ৰতিটো প্ৰতিশ্ৰুতি পূৰণ কৰিব।

ইপিনে, বহুজন সমাজ পাৰ্টিৰ মুৰব্বী মায়াৱতীয়ে কালি উত্তৰ প্ৰদেশৰ কণৌজত নিৰ্বাচনী সভাত ভাগ লয়। শ্ৰীমতী মায়াৱতীয়ে কয় যে, কংগ্ৰেছ দল যিসমূহ পদক্ষেপৰ বাবে ক্ষমতাচ্যুত হ'বলগীয়া হৈছিল, গেৰুৱা দলটোৱেও সেইসমূহ পদক্ষেপে লৈছে।

কংগ্ৰেছৰ দলৰ জ্যেষ্ঠ নেতা ৰাহুল গান্ধীয়েও কালি নৰ্ছাপুৰ আৰু হায়দৰাবাদৰ উপকণ্ঠৰ ছাৰুৰ নগৰত এখন জনসভাত অংশ লয়।

ইফালে, বি আৰ এছৰ মুৰব্বী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী কে চন্দ্ৰশেখৰ ৰাওৱে কালি কৰিমনগৰৰ এটা ৰোড শ্ব'ত অংশ লৈ দেশৰ মূল সমস্যাসমূহ আওকাণ কৰি ক্ষুদ্ৰ স্বাৰ্থৰ বাবে পাকিস্তানৰ লেখীয়া বিদেশী ৰাষ্ট্ৰৰ প্ৰসংগ অযথা টানি অনাৰ উপৰি দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰৰ দৰে বিষয় সন্দৰ্ভত বিজেপি চৰকাৰক সমালোচনা কৰে।

0000000

লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ বাবে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰৰ কালি সামৰণি পৰে। এই পৰ্যায়ত অহা ২৫ মে'ত ৬খন ৰাজ্য আৰু দুটা কেন্দ্ৰীয়শাসিত অঞ্চলত মুঠ ৫৮টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ইয়াৰ ভিতৰত দিল্লীৰ ৭খন, হাৰিয়ানাৰ ১০ খন, উত্তৰ প্ৰদেশৰ ১৪খন, বিহাৰ আৰু পশ্চিমবংগৰ ৮খনকৈ, ওড়িশাৰ ৬খন, ঝাড়খণ্ডৰ ৪খন আৰু জম্মু-কাশ্মীৰৰ এখন আসন আছে।

0000000

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশত জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত কাইলৈ ৰাজ্যজুৰি ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে যান বাহন আইন উলংঘা গোচৰ, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, মটৰ দুৰ্ঘটনা দাবী, ন্যায়াধীকৰণৰ গোচৰ, চেক বাউন্স গোচৰ,

ৰাজহ্ সংক্ৰান্তীয় গোচৰ আদিকে ধৰি বিভিন্ন আপোচযোগ্য গোচৰৰ খৰতকীয়া নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি বেংকৰ ঋণ লেন দেন সম্পৰ্কীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাছুল সম্পৰ্কীয় বিবাদসমূহো নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। ৰাইজৰ সুবিধাৰ বাবে এনেধৰণৰ গোচৰসমূহৰ আগতীয়া শুনানিৰো ব্যৱস্থা কৰা হৈছে।

০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত প্ৰখ্যাত শিল্পী ড° বৈজয়ন্তীমালা বালী আৰু টেলেগু চলচ্চিত্ৰ অভিনেতা ক'নিদেলা চিৰঞ্জীৱিক পদ্ম বিভূষণ সন্মানেৰে সন্মানিত কৰে। আনহাতে এচিয়াৰ প্ৰথমগৰাকী উচ্চতম ন্যায়ালয়ৰ মহিলা ন্যায়াধীশ এম ফাটিমা বিবিক মৰনোত্তৰভাৱে পদ্মভূষণ প্ৰদান কৰা হয়। বিশিষ্ট হৃদৰোগ বিশেষজ্ঞ ডাঃ অশ্বিন বালাচান্দ মেহতা, প্ৰবীন ৰাজনৈতিক নেতা অ' ৰাজাগোপালক এই সন্মান প্ৰদান কৰা হয়। একেদৰে, আধ্যাত্মিকতাৰ ক্ষেত্ৰত আগবঢ়োৱা দৃষ্টান্তমূলক বৰঙণিৰ বাবে টোগদান ঋণপচেক মৰনোত্তৰভাৱে পদ্মভূষণ প্ৰদান কৰা হয়। ইপিনে, হাতী সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে অসমৰ হস্তী বিশেষজ্ঞ পাৰ্বতী বৰুৱাকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হয়।

উল্লেখযোগ্য যে, দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্মবিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণৰাজ্য দিৱসৰ দিনা এই বঁটাসমূহ ঘোষণা কৰা হয়। যোৱা ২২ এপ্ৰিলত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে তিনিগৰাকী ব্যক্তিক পদ্মবিভূষণ, ৮ গৰাকীক পদ্মভূষণ আৰু ৫৫ গৰাকী ব্যক্তিক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰিছিল। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০

তেহৰানে জব্দ কৰা আৰু ইজৰাইলৰ সৈতে সম্পৰ্ক থকা জাহাজখনত থকা ৫ গৰাকী ভাৰতীয় নাৱিকক কালি মোকলাই দিয়া হয়। এয়া ভাৰতৰ বাবে বিশেষ কূটনৈতিক সাফল্যৰূপে পৰিগণিত হৈছে। ভাৰতীয় দূতাবাসে নাৱিককেইগৰাকীৰ তথ্য প্ৰকাশ কৰি বন্দৰ আববাছত থকা ভাৰতীয় দূতাবাস আৰু বাণিজ্যিক দূতাবাসৰ সৈতে ঘনিষ্ঠ সমন্বয় বৰ্তাই ৰখাৰ বাবে ইৰানৰ কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰিছে। ইৰানে ইজৰাইলৰ সৈতে সম্পৰ্ক থকা মালবাহী জাহাজখন ১৩ এপ্ৰিলত জব্দ কৰিছিল। জাহাজখনত ১৭ গৰাকী ভাৰতীয় নাগৰিক আছিল। বিদেশ মন্ত্ৰালয়ে কৈছে যে, চালক দলৰ ১৭ গৰাকী ভাৰতীয় সদস্যৰ ভিতৰত এগৰাকী নিৰাপদে দেশলৈ উভতি আহিছে বাকী কেইগৰাকী সুৰক্ষিত আছে। মন্ত্ৰালয়ে লগতে চুক্তি সম্পৰ্কীয় বাধ্যবাধকতা সম্পূৰ্ণ হোৱাৰ পাছত তেওঁলোকক মোকলাই দিয়া হ'ব বুলি জানিবলৈ দিছে। ভাৰতত থকা ইৰানৰ ৰাষ্ট্ৰদূত ইৰাজ ইলাহীয়েও এম এচ চি এৰিজ নামৰ জাহাজখনৰ চালক দলৰ সদস্য আৰু ভাৰতীয় নাগৰিকসকলক আটক কৰা হোৱা নাই বুলি প্ৰকাশ কৰিছে।

০০০০০০০

অসম মাধ্যমিক শিক্ষা পৰিষদৰ কৰ্মীসন্থাৰ সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠান আজি দিনজোৰা কাৰ্যসূচীৰে বামুণীমৈদামৰ কাৰ্যালয় চৌহদত আয়োজন কৰা হৈছে। বিয়লি ২ বজাৰ পৰা হ'বলগীয়া মুকলি সভাত শিক্ষামন্ত্ৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব বুলি উদ্যোক্তাসকলৰ তৰফৰ পৰা জনাইছে।

০০০০০০০

লখিমপুৰ জিলা প্ৰশাসনৰ উদ্যোগত তথা মহিলা আৰু শিশু উন্নয়ন বিভাগ, জিলা আৰক্ষী, লখিমপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতাল আদিৰ সহযোগত কালি অন্ধ বিশ্বাসৰ বিৰুদ্ধে এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। জিলাখনৰ ধলপুৰৰ কেতবোৰ অঞ্চলত অন্ধ বিশ্বাসৰ বশৱৰ্তী হৈ অসামাজিক কাৰ্য সংগঠিত হোৱাৰ বাতৰি লাভ কৰাৰ পাছতে এই কাৰ্যসূচীৰ আয়োজনৰ কৰা হয়। সভাত টি এম পি কেৰ প্ৰতিনিধি, গাঁওপ্ৰধান, বিভিন্ন সামাজিক সংস্থাৰ প্ৰতিনিধি তথা স্থানীয় জনসাধাৰণে অংশগ্ৰহণ কৰে। সভাত উপস্থিত সমল ব্যক্তিসকলে জনসাধাৰণক কোনো কাৰণতে অন্ধ বিশ্বাসৰ বশৱৰ্তী নোহোৱাকৈ সমাজৰ শান্তি-সম্প্ৰীতি বৰ্তাই ৰাখিবলৈ আহ্বান জনায়।

০০০০০০০

ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ পৱিত্ৰ হজৰ বাবে মক্কা যাবলগীয়া শিৱসাগৰ জিলাৰ হজ যাত্ৰীসকলক কালি শিৱসাগৰ যুৱদলত সম্বৰ্ধনা জনোৱা হয়। উজনি অসম সন্মিলিত মুছলিম পৰিষদৰ উদ্যোগত জিলাখনৰ মুঠ ১৪২ গৰাকী হজযাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশ্ব শান্তিৰ বাবে সমূহীয়া প্ৰাৰ্থনাও কৰা হয়।

০০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰী মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অহা ১২ মে'ৰ সন্ধিয়া ৬ বজাত দিছপুৰ মহাবিদ্যালয়ৰ ড্ৰামাটিক ছ'চাইটিৰ উদ্যোগত জ্যোতিপ্ৰসাদ আগৰৱলাৰ বহু সমাদৃত নাটক **কাৰেঙৰ লিগিৰী** মঞ্চস্থ কৰা হ'ব। বিশিষ্ট নাট পৰিচালক মাণিক আহমেদৰ দ্বাৰা পৰিচালিত আৰু দিছপুৰ মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা অভিনীত নাটকখনি শিক্ষামন্ত্ৰী ডাঃ  ৰণোজ পেগুৱে উদ্বোধন কৰিব। নাট্যানুষ্ঠানটোত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড০ ননীগোপাল মহন্তৰ লগতে আনকেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০০

২০২৪-২৫ বিদ্যায়তনিক বৰ্ষৰ এবছৰীয়া উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ পাঠ্যক্ৰমসমূহৰ বাবে কটন বিশ্ববিদ্যালয়ে অনলাইন যোগে আবেদনসমূহ গ্ৰহণ কৰি আছে। আগ্ৰহী শিক্ষাৰ্থীসকলে এই আবেদন কৰাৰ বাবে ADMISSIONS.COTTONUNIVERSITY.AC.IN ত যোগাযোগ কৰিব পাৰে।

০০০০০০০

আছাম ছিনিয়ৰ বেডমিণ্টন ক্লাবৰ উদ্যোগত গুৱাহাটী নেহৰু ষ্টেডিয়ামৰ দেশভক্ত তৰুণৰাম ফকুন ইনডৰ ষ্টেডিয়ামত আজিৰে পৰা তিনি-দিনীয়াকৈ অষ্টম নৰ্থ-ইষ্ট ছিনিয়ৰ বেডমিণ্টন চেম্পিয়নশ্বিপ অনুষ্ঠিত হ'ব। উত্তৰ-পূবৰ লগতে ভূটান, নেপালৰ খেলুৱৈয়ে এই চেম্পিয়নশ্বিত অংশ ল'ব। আছাম ছিনিয়ৰ বেডমিণ্টন ক্লাবৰ সভাপতি তথা অৱসৰপ্ৰাপ্ত আৰক্ষী সেৱাৰ বিষয়া প্ৰদীপ কুমাৰে এখন সংবাদ মেলত এই কথা প্ৰকাশ কৰে। আয়োজকসকলৰ মতে আজি সন্ধিয়া ৬ বজাত চেম্পিয়নশ্বিপৰ উদ্বোধনী অনুষ্ঠানত অসম আৰক্ষীৰ বিশেষ সঞ্চালক প্ৰধান হৰমিত সিং উপস্থিত থাকিব। প্ৰতিযোগিতাসমূহ ছটা শাখাত অনুষ্ঠিত হ'ব। দুজন খেলুৱৈৰ বয়স যোগ কৰাৰ ভিত্তিত এই শাখাসমূহ নিৰ্ধাৰণ কৰা হ'ব। আনহাতে, ৭৫ বছৰ উৰ্ধৰ শাখাত আন এটা মিক্সড ডাবল শাখা অনুষ্ঠিত হ'ব। খেলখনত পুৰস্কাৰৰ হিচাপে ৪ লাখ টকা ধাৰ্য কৰা হৈছে। অহা ১২ মে'ত চেম্পিয়নশ্বিপৰ সামৰণি পৰিব। প্ৰতিযোগিতাত কমেও ২৫০গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিব বুলি সভাপতিগৰাকীয়ে জানিবলৈ দিছে। এই সংবাদ মেলত আছাম ছিনিয়ৰ বেডমিণ্টন ক্লাবৰ সাংগাঠনিক সম্পাদক

বিষ্ণু ডেকা, অসম বেডমিণ্টন সন্থাৰ সম্পাদক তথা ভাৰতীয় বেডমিণ্টন সন্থাৰ যুটীয়া সম্পাদক ওমৰ ৰছিদ, মানস প্ৰতীম শৰ্মাকে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গুজৰাটৰ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত চেন্নাই ছুপাৰ কিংছ, গুজৰাট টাইটানছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুই যোৱানিশা হিমাচল প্ৰদেশৰ ধৰমশালাত অনুষ্ঠিত এখন খেলত পাঞ্জাব কিংছক ৬০ ৰানত পৰাস্ত কৰে। পাঞ্জাব কিংছে ২৪২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৮১ ৰানহে কৰিবলৈ সমৰ্থ হয়। পাঞ্জাবৰ হৈ ৰিলি ৰোচৌৱে সৰ্বাধিক ৬১ ৰান কৰে। ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰৰ মহম্মদ ছিৰাজে তিনিটা উইকেট দখল কৰাৰ বিপৰীতে স্বপনীল সিং, কৰ্ণ শৰ্মা আৰু ল'কী ফাৰ্গুছনে দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত  ২৪১ ৰান কৰে। বেংগালুৰুৰ হৈ বিৰাট কোহলিয়ে মাত্ৰ ৪৭টা বলত ৯২ ৰান কৰে। ৰজত পাটিদাৰে ৫৫ ৰানৰ বৰঙণি আগবঢ়ায়। পাঞ্জাবৰ হৈ হৰ্যল পেটেলে তিনিটা উইকেট লাভ কৰে। বিৰাট কোহলিক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়। কোহলিয়ে কালিৰ প্ৰদৰ্শনৰ পাছত পাঞ্জাব কিংছৰ বিৰুদ্ধে আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত এহেজাৰ ৰান অতিক্ৰম কৰে আৰু এই প্ৰতিযোগিতাৰ ইতিহাসত তিনিটা প্ৰতিদ্বন্দ্বী দলৰ বিৰুদ্ধে এনে কৃতিত্ব অৰ্জন কৰা প্ৰথমগৰাকী খেলুৱৈৰূপে পৰিগণিত হয়। কোহলিয়ে ইতিমধ্যে দেলহী কেপিটেলছ আৰু চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে এহেজাৰ ৰাণ সংগ্ৰহ কৰিছে। কালিৰ ফলাফলৰ অন্তত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু প্ৰতিযোগিতাৰ পইণ্ট তালিকাত সপ্তম স্থানত আৰু পাঞ্জাৱ নৱম স্থানত আছে।

০০০০০০০

News Paper Rev. (10-5-2024)

কালি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল প্ৰকাশৰ সন্দৰ্ভত গুৱাহাটীৰ পৰা আজি প্ৰকাশিত দৈনিক বাতৰিকাকতসমূহে প্ৰথম পৃষ্ঠাত বিভিন্ন বাতৰি আলোকচিত্ৰসহ প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। এই ফলাফলক কাকতসমূহে ভিন ভিন শিৰোনামেৰে গুৰুত্বসহকাৰে বাতৰি পৰিবেশন কৰা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত দৈনিক অসম কাকতে বিসংগতি বিভ্ৰান্তিৰে ফলাফল ঘোষণা, পৰিসংখ্যাত ব্যাপক খেলিমেলি, বিজ্ঞান কলা বানিজ্যত কিমান শতাংশ উত্তীৰ্ণ স্পষ্ট নহল পুস্তিকাত শীৰ্ষৰে বাতৰিটোক প্ৰধান বাতৰি হিছাপে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতৰ এই সন্দৰ্ভত বাতৰিৰ শিৰোনাম মেধাৰ দৌৰত ছাত্ৰীৰ আধিপত্য। দৈনিক জনমভূমি কাকতৰ এই সন্দৰ্ভত শিৰোনাম উচ্চতৰ মাধ্যমিকৰ স্থানহীন ফল ঘোষণা , শিক্ষা সংসদৰ চূড়ান্তৰ পৰীক্ষাৰ পৰম্পৰাৰ অৱসান । গুৱাহাটীৰ বহুকেইখন ঐতিহ্যমন্দিত চৰকাৰী বিদ্যালয়ে সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ উত্তীৰ্ণৰে আশাপ্ৰদ ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। এই বাতৰিটো দৈনিক অসম আৰু অসমীয়া প্ৰতিদিন কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

হাৰিয়ানাত উদ্ভৱ হোৱা ক্ষমতাকেন্দ্ৰিক ৰাজনৈতিক পৰিস্থিতিৰ সন্দৰ্ভত অসমীয়া প্ৰতিদিন কাকতে হাৰিয়ানাৰ বিজেপি চৰকাৰৰ পতন নিশ্চিত, শক্তি পৰীক্ষা বিচাৰি ৰাজ্যপাললৈ পত্ৰ চৌতালাৰ শীৰ্ষৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত স্থান দিছে। একেটা বাতৰিক দৈনিক অগ্ৰদূত কাকতে হাৰিয়ানাত ৰুদ্ধশ্বাস ৰাজনৈতিক নাটক অব্যাহত: ৰাষ্ট্ৰপতি শাসনৰ দাবী শীৰ্ষৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। ইতিমধ্যে সম্পন্ন হৈ যোৱা লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থীসকলে নিৰ্বাচনৰ ফলাফললৈ সুদীৰ্ঘ দিনলৈ অপেক্ষা কৰিব লগীয়া হোৱাত প্ৰাৰ্থীসকলৰ মানসিক চাপ আৰু উত্তেজনা বৃদ্ধি পোৱাৰ সন্দৰ্ভত The Assam Tribune কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। চাহৰ উৎপাদন আৰু বজাৰত ইয়াৰ মূল্য ক্ৰমাৎ হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। এই বাতৰিটো The Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।আজি ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধিন ৰাজ্য চৰকাৰে তৃতীয় বৰ্ষপূৰ্তি সম্পূৰ্ণ কৰিছে যদিও নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আজি কোনো অনুষ্ঠানৰ আয়োজন কৰা হোৱা নাই। এই সন্দৰ্ভত অসমীয়া খবৰ আৰু আমাৰ অসম কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত পূৰ্বৰ দৰে নাই উচাহ উদ্দীপনা , কলা শাখাত দহ বছৰৰ সৰ্বোত্তম ফলাফল , ২০ বিষয়ত ৮৯ শিক্ষাৰ্থীয়ে লাভ কৰিছে ১০০ নম্বৰকৈ, গণিত,জীৱ বিদ্যাত সম্পূৰ্ণ নম্বৰ নাপালে এজনেও,বহুতৰপীয়া নিৰাপত্তাৰ মাজত ৰাজ্যৰ ৫০ ষ্ট্ৰং ৰুমত ১৪ সমষ্টিৰ EVM , সোনাই ৰূপাই অভয়াৰণ্য, চাৰিদুৱাৰ বনাঞ্চলত ধ্বংসলীলা, সেউজ ন্যায়াধীকৰণত অসম চৰকাৰৰ সপতনামা, নিৰ্বাচনৰ পাছত বহু ৰাজনৈতিক দল কংগ্ৰেছত চামিল হব, পাৱাৰৰ বক্তব্যক লৈ ৰাজনৈতীক মহলত চৰ্চা ইত্যাদি।

এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

0000000

সমাপ্ত